Elementary English

প্ৰাথমিক ইংৰাজী

TESS India

# Mark-making and early writing

# চিহ্ন প্ৰস্তুত আৰু প্ৰাৰম্ভিক লিখন






Teacher Education through School-based Support in India

www.TESS-India.edu.in

অনুবাদ আৰু অভিযোজন ঃ ৰাজ্যিক শিক্ষা-গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ, অসম

cc BY SA
http://creativecommons.org/licenses/

The Open University

UKaid from the British people

TESS-India (Teacher Education through School-based Support) aims to improve the classroom practices of elementary and secondary teachers in India through the provision of Open Educational Resources (OERs) to support teachers in developing student-centred, participatory approaches. The TESS-India OERs provide teachers with a companion to the school textbook. They offer activities for teachers to try out in their classrooms with their students, together with case studies showing how other teachers have taught the topic and linked resources to support teachers in developing their lesson plans and subject knowledge. TESS-India OERs have been collaboratively written by Indian and international authors to address Indian curriculum and contexts and are available for online and print use (http://www.tess-india.edu.in/). The OERs are available in several versions, appropriate for each participating Indian state and users are invited to adapt and localise the OERs further to meet local needs and contexts.

TESS-India is led by The Open University UK and funded by the UK government.

**Video resources**

Some of the activities in this unit are accompanied by the following icon: . This indicates that you will find it helpful to view the TESS-India video resources for the specified pedagogic theme.

The TESS-India video resources illustrate key pedagogic techniques in a range of classroom contexts in India. We hope they will inspire you to experiment with similar practices. They are intended to complement and enhance your experience of working through the text-based units, but are not integral to them should you be unable to access them.

TESS-India video resources may be viewed online or downloaded from the TESS-India website, http://www.tess-india.edu.in/). Alternatively, you may have access to these videos on a CD or memory card.

Version 2.0 EE04v1
Assam

Except for third party materials and otherwise stated, this content is made available under a Creative Commons Attribution-ShareAlike licence: http://creativecommons.org/licenses/by-sa/3.0/
TESS-India is led by The Open University UK and funded by UK aid from the UK government

# এই গোটটো কিহৰ বিষয়ে (What this unit is about)

এই গোটটোৱে সৰু ল'ৰা-ছোৱালীৰ প্ৰাৰম্ভিক লিখন পৰীক্ষা কৰে। যেতিয়া ল'ৰা-ছোৱালীয়ে কাগজত বিভিন্ন আঁক-বাঁক কৰিবলৈ লয় তেতিয়া বুজিব লাগিব যে তেওঁলোকে লিখনক ভাব বিনিময়ৰ এটা উপায় হিচাপে বুজি পাইছে আৰু ইয়াৰ ওপৰত অনুসন্ধান আৰম্ভ কৰিছে। এই গোটটোত আপুনি কম বয়সীয়া ল'ৰা-ছোৱালীৰ ইংৰাজী লিখন অনুশীলনৰ সহায়ক হোৱা বিভিন্ন দিশৰ ওপৰত আলোকপাত কৰিব। লক্ষণীয় যে এই গোটত উল্লেখ কৰা ত্ৰি য়া-কলাপ তথা সমলসমূহ যিকোনো ভাষাৰ প্ৰাৰম্ভিক লিখন বিকাশৰ বাবে উপযোগী।

# এই গোটটোৰ পৰা কি শিকিব পাৰিব (What you can learn in this unit)

- প্ৰাৰম্ভিক লিখন বিকাশৰ সূচকসমূহ চিনাক্ত কৰা
- লিখন সমলসমূহ সংগঠিত কৰা
- আপোনাৰ শ্ৰেণীকোঠাত ব্যৱহাৰৰ বাবে ত্ৰি য়া-কলাপ আৰু ৰুটিনৰ পৰিকল্পনা কৰা

# ১) অংকুৰিত লিখন কি ? (1 What is emergent writing?)

আপুনি প্ৰাৰম্ভিক লিখন প্ৰত্ৰি য়া বিবেচনা কৰি আগবাঢ়ক।

## ত্ৰি য়া-কলাপ ১ ঃ অংকুৰিত লিখন কি (Activity 1: What is emergent writing?)

চিত্ৰ ১ চাওক। তাত এজনী চাৰি বছৰীয়া ছোৱালীৰ লিখনি দেখুওৱা হৈছে। তেওঁ অতি আত্মবি ⁄াসেৰে প্ৰাক্-প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকক জনাইছিল যে তেওঁ আখৰ আৰু সংখ্যা লিখি আছিল। এইখিনিক আপুনি কেনেদৰে লিখনৰ অংশৰূপে পৰীক্ষা কৰিব বা আপুনি ইয়াক কেৱল আঁক-বাঁক বুলি ধৰিবনে ? এই লিখনিৰ বিষয়ে বিদ্যালয়ৰ অন্যান্য শিক্ষকৰ লগত আলোচনা কৰক। তেখেতসকলে কেনেদৰে প্ৰতিত্ৰি য়া প্ৰকাশ কৰিব বাৰু ?



ছবি ১ - চাৰি বছৰীয়া এগৰাকী ছোৱালীৰ 'লিখনি'

প্ৰাৰম্ভিক স্তৰত অংকুৰিত লিখনি কাগজত কৰা আঁক-বাঁক বা অপ্ৰাসংগিক কিছুমান চিহ্ন আৰু আকৃতিৰ সমষ্টি যেন লাগিব। কিন্তু এইদৰে লিখা ছোৱালীজনীয়ে তাইৰ লিখনৰ ওপৰত থকা জ্ঞান আৰু সচেতনতাৰ উমান দিছে। তাই জানে যে ঃ

- কাগজত কিছুমান চিন আঁকি সংখ্যা আৰু আখৰ দেখুৱাব পাৰি
- লিখনিয়ে তথ্য প্ৰেৰণ কৰে
- লিখনি পঢ়াৰ বাবে প্ৰস্তুত কৰা হয়

বৰ সৰু ল'ৰা-ছোৱালীৰ যিসকলে সৰু অৱস্থাৰ পৰাই ঘৰত, বিদ্যালয়ত বা সমাজত বিভিন্নধৰণৰ লিখনি দেখা পাইছে, তেওঁলোকে বুজিবলৈ আৰম্ভ কৰে যে লিখনিৰ বিভিন্ন অৰ্থ আৰু উদ্দেশ্য আছে। তেওঁলোকে তেনেধৰণৰ প্ৰতিৰূপ অনুকৰণ কৰে, যি দেখে তাকে চাই চাই লিখে, অনুকৰণ নকৰাকৈ নিজেও কিবা কিবি লিখে। এনেকৈ কাগজত ভাব প্ৰকাশ কৰি তেওঁলোকে লিখিব পৰা হয়। সৰু ল'ৰা-ছোৱালীয়ে যেতিয়া ইংৰাজী লিখিবলৈ আৰম্ভ কৰিব, তেতিয়া তেওঁলোকে একে সময়তে পাঁচটা বিষয়ৰ ওপৰত মনোনিৱেশ কৰিব লাগিব।

- আঙুলিৰ নিয়ন্ত্ৰণ

- আখৰৰ গঠন
- ইংৰাজী বৰ্ণমালাৰ আখৰ, ধ্বনি আৰু আকৃতি
- ইংৰাজী শব্দৰ অৰ্থ
- তেওঁলোকৰ লিখনিৰ সামগ্ৰিক অৰ্থ

**চিন্তন** (Pause for thought)

- ছাত্ৰ-ছাত্ৰীসকলে যেতিয়া এটা লিখন ত্ৰি য়া-কলাপত ভাগ লয় তেতিয়া ওপৰৰ পাঁচটা বিষয়ৰ কোনটোৰ ওপৰত আপুনি বেছি গুৰুত্ব দিব আৰু এনেকুৱা কিবা বিষয় আছে নেকি যিটো আপুনি আনবোৰতকৈ বেছি প্ৰয়োজনীয় বুলি ভাবে?
- কোনবোৰ বিষয় ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বেছি প্ৰয়োজনীয় বুলি আপুনি ভাবে?

## ২) ছাত্ৰ-ছাত্ৰীৰ লিখন (2 Students' writing)

### ত্ৰি য়া-কলাপ ২ঃ ছাত্ৰ-ছাত্ৰীয়ে ক'ত লিখিব পাৰে? (Activity 2: Where can students write?)

চিত্ৰ ২ লৈ চাওক কোনবোৰ ত্ৰি য়া-কলাপ আপোনাৰ ছাত্ৰ-ছাত্ৰীৰ লগত শ্ৰেণীকোঠাত আৰু বিদ্যালয়ত কৰাৰ বাবে সম্ভৱ হ'ব। যদি সম্ভৱ, এজন সহকৰ্মী শিক্ষকৰ লগত আলোচনা কৰক। শ্ৰেণীকোঠাৰ ভিতৰ আৰু শ্ৰেণীকোঠাৰ বাহিৰৰ ঠাইৰ বিষয়ে ভাবক, য'ত ছাত্ৰ-ছাত্ৰীসকলে লিখনৰ অনুশীলন কৰিব পাৰিব।




চিত্ৰ ২ ঃ ছাত্ৰ-ছাত্ৰীয়ে লিখিব পৰা অংশৰ উদাহৰণ — আঙুলিৰে বালিত, বাহিৰত শুকান মাৰিৰে, চক্ মাটিৰে মজিয়াত, বেৰত পেইন্টৰ সহায়ত, অব্যৱহৃত কাগজত কলমেৰে আৰু ব'ৰ্ডত চক্ পেঞ্চিলেৰে।

এতিয়া তলত দিয়া নিৰীক্ষণ তালিকাখন চাওক ঃ

- কিহেৰে লিখিব? পেঞ্চিল, কলম, পেইন্ট, চক্, ব্ৰাচ, মাৰি
- কিহত লিখিব? বালি, মজিয়া, চাৰ্ট পেপাৰ, অব্যৱহৃত কাগজ, ব'ৰ্ড, বেৰ, বোকা মাটি, টোকা বহী, পুনৰ ব্যৱহাৰযোগ্য কাগজেৰে তৈয়াৰী সৰু বহী

যদি সম্ভৱ, এজন সহকৰ্মী শিক্ষকৰ লগত এই নিৰীক্ষণ তালিকাখন আলোচনা কৰক। আপোনাৰ বিদ্যালয়ত কি কি সমল পোৱা যায়? শ্ৰেণীকোঠাৰ ভিতৰত আৰু বাহিৰত থকা লিখন, সমলবোৰৰ বিষয়ে ভাবক আৰু ছাত্ৰ-ছাত্ৰীক অনুশীলনৰ বাবে উৎসাহিত কৰক। শ্ৰেণীকোঠাৰ বাহিৰত বা ভিতৰত এনে অংশ দেখিছে নেকি য'ত ছাত্ৰ-ছাত্ৰীয়ে মুকলিভাৱে চিহ্ন অংকন কৰিব পাৰে বা লিখিব পাৰে।

ইয়াত দিয়া ধাৰণাবোৰৰ এটা বা ততোধিক অহা দুই বা তিনি সপ্তাহত শ্ৰেণীকোঠাত প্ৰয়োগ কৰিব পৰাকৈ কিছুমান আঁচনি প্ৰস্তুত কৰা।

আপোনাৰ আঁচনিৰ বিষয়ে সহকৰ্মী শিক্ষক অথবা প্ৰধান শিক্ষকৰ লগত আলোচনা কৰক। আপুনি এনেধৰণৰ পাঠৰো পৰিকল্পনা কৰিব পাৰে য'ত ছাত্ৰ-ছাত্ৰীৰ দলে সলাই সলাই সপ্তাহজুৰি মুক্ত লিখন কৰিব পাৰে।

## ক্ৰি য়া-কলাপ ৩ঃ বিভিন্ন উদ্দেশ্যৰ বাবে লিখন Activity 3: Writing for different purposes

আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে তলত দিয়া যিকোনো বিষয় শ্ৰেণীকোঠাত লিখে নেকি? আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে লিখা বিষয়ত টিক্ চিন দিয়ক।

- তালিকা
- সম্ভাষণ কাৰ্ড
- জন্মদিনৰ কাৰ্ড
- পোষ্ট কাৰ্ড
- চিঠি
- নিমন্ত্ৰণী পত্ৰ
- কৃতজ্ঞতা জ্ঞাপন টোকা
- ৰেস্তোৰাঁ আদিয়ে পৰিৱেশন কৰা খাদ্য তালিকা
- বিজ্ঞাপন
- ৰন্ধন প্ৰণালী
- সংকেত চিহ্ন বা চহী
- টোকা
- স্মৰণ লিপি
- লেবেল
- টিকট
- তালিকা প্ৰস্তুত কৰা
- কাৰ্যত্ৰ মনিকা
- ই-মেইল
- লিখিত বাৰ্তা
- প'ষ্টাৰ

এই সকলোবোৰ কেনেদৰে গল্প বা কবিতা লিখাৰ পৰা পৃথক? এইবোৰ কিয় লিখা হয় আৰু কাৰ বাবে লিখা হয়? এইবোৰ আমি ক'ত দেখা পাওঁ?

আপুনি ভাবেনে ছাত্ৰ-ছাত্ৰীসকলে ওপৰত উল্লেখ কৰাৰ দৰে ক্ৰি য়া-কলাপ কৰি আনন্দ উপভোগ কৰিব? যদি কৰিব কিয় কৰিব বা যদি নকৰে কিয় নকৰে? বৰ্তমানৰ পাঠ্যপুথিত এনেধৰণৰ পাঠ আপুনি দেখা পাইছে নেকি য'ত এনেধৰণৰ লিখনিৰ উল্লেখ আছে।

## ৩) পোষ্ট কাৰ্ড লিখন (3 Writing postcards)

বিদ্যালয়ৰ বাহিৰতো বিভিন্নধৰণৰ লিখনি আছে, যিবোৰ মানুহে বিভিন্ন উপলক্ষ্যত পঢ়ে। লিখনিত মাজে মাজে ব্যাখ্যামূলক চিত্ৰাংকন তথা বিভিন্নধৰণৰ নক্সা সজোৱা থাকে যাতে দিব বিচৰা বাৰ্তাটো আকৰ্ষণীয়, নাটকীয় অথবা স্পষ্ট হয়। ছাত্ৰ-ছাত্ৰীসকলে আচল জীৱনৰ অভিজ্ঞতাক প্ৰতিফলিত কৰা লিখনি বেছি ভাল পায়।

কিন্তু বিদ্যালয়ত ছাত্ৰ-ছাত্ৰীসকলে লিখা বেছিসংখ্যক লিখনি কেৱল মাত্ৰ শিক্ষকজনৰ বাহিৰে আনে নপঢ়ে। ঘটনা অধ্যয়ন ১ ত উল্লেখ কৰা শিক্ষক গৰাকীৰ ছাত্ৰ-ছাত্ৰীসকলে লিখা লিখনি বিদ্যালয়ৰ বাহিৰৰ লোকেও পঢ়িবলৈ সুবিধা পাইছে।

## ঘটনা অধ্যয়ন ১ ঃ সোণালী দদাৰ শ্ৰেণীৰ পৰা পোষ্ট কাৰ্ড পঠালেল (Case Study 1: Sonali Das's class sends postcards)

সোণালী দাসে এখন চৰকাৰী প্ৰাথমিক বিদ্যালয়ত তৃতীয় শ্ৰেণীত পাঠদান কৰে। এদিনাখন এগৰাকী ছাত্ৰই মোক সুধিছিল, 'এখন চিঠিয়ে কেনেদৰে মোক বিচাৰি পাব পাৰে? মই শ্ৰেণীত সুধিছিলোঁ শ্ৰেণীৰ কিমানজন ছাত্ৰ-ছাত্ৰীৰ প্ৰকৃত চিঠি বা পোষ্ট কাৰ্ড ডাকত পঠিওৱা বা ডাকৰ পৰা পোৱাৰ অভিজ্ঞতা আছে। কোনেও হাত নাদাঙিলে। মোৰ ঘৰৰ পৰা অলপ পোষ্ট কাৰ্ড আনি মই ছাত্ৰ-ছাত্ৰীসকলক পোষ্ট কাৰ্ডৰ বিভিন্ন ভাগসমূহ দেখুৱাই দিলোঁ— দেখিবলৈ কেনেকুৱা, ঠিকনা ক'ত লিখে আৰু সংবাদ ক'ত লিখে আৰু ক'ত ষ্টাম্প লগোৱা হয়।

গধুৰ কাৰ্ড ব্যৱহাৰ কৰি মই ছাত্ৰ-ছাত্ৰীক নিজাকৈ পোষ্ট কাৰ্ড প্ৰস্তুত কৰিবলৈ দিলোঁ। ছাত্ৰ-ছাত্ৰীসকলে এটা ফালে নিজা ছবি আঁকিছিল, আৰু আনটো ফালে ঘৰৰ ঠিকনা আৰু ইংৰাজী ভাষাত চমু আৰু সহজ খবৰ লিখিছিল। মই লক্ষ্য কৰিছিলোঁ যে কিছুমান ছাত্ৰ-ছাত্ৰীয়ে স্বতন্ত্ৰভাৱে লিখিব পাৰিছিল আৰু কিছুমানক কেতবোৰ সহায়ৰ প্ৰয়োজন হৈছিল।

মই বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ পৰা প্ৰতিটো কাৰ্ডৰ বাবে ডাক টিকট কিনিবলৈ কিছু টকা খুজি লৈছিলোঁ। তাৰপাছত সকলো ছাত্ৰ-ছাত্ৰীক লগত লৈ ডাকযোগে পোষ্ট কাৰ্ড প্ৰেৰণ কৰিবলৈ ডাক ঘৰলৈ গৈছিলোঁ। মোৰ সম্বন্ধীয় দাদা এজনে তাতে কাম কৰে আৰু তেওঁৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ডাকোৱালজনৰ লগত চিঠি কেনেদৰে বিতৰণ কৰে তাক সোধাৰ উপৰি তেওঁৰ কামৰ বিষয়েও জানিলে। এসপ্তাহৰ পাছত তেওঁলোকৰ নামত অহা পোষ্ট কাৰ্ড ঘৰত পালে আৰু আনন্দ মনেৰে আহি বিদ্যালয়ত মোক দেখুৱালেহি।

মই এই ত্ৰি য়া-কলাপটো অন্যান্য ত্ৰি য়া-কলাপৰ বাবেও উপযোগী কৰি তুলিলোঁ। উদাহৰণস্বৰূপে, মোৰ ছাত্ৰ-ছাত্ৰীসকলে জন্মদিন অথবা অন্যান্য কোনো উৎসৱ-পাৰ্বনত কাৰ্ড প্ৰস্তুত কৰে। মাজে সময়ে আমি ডাঙৰ আকৃতিৰ কাৰ্ড প্ৰস্তুত কৰি তাত আমি সকলোৱে চহী কৰোঁ।

### চিন্তন (Pause for thought)

- সকলো স্তৰৰ ছাত্ৰ-ছাত্ৰীৰ বাবে এই পোষ্ট কাৰ্ডৰ ত্ৰি য়া-কলাপ উপযোগী নে? কিয় হয় বা কিয় নহয়?
- আপোনালোকৰ ছাত্ৰ-ছাত্ৰীৰ চিঠি বা কাৰ্ড লিখা সুবিধা আছেনে, যিবোৰ বিদ্যালয়ৰ বাহিৰৰ লোকেও পঢ়াৰ সুবিধা পায়?

## ত্ৰি য়া-কলাপ ৪ঃ পোষ্ট কাৰ্ড পপঠিওৱা(Activity 4: Send a postcard)

ঘটনা অধ্যয়ন ১ ক নিৰ্দেশক হিচাপে লৈ, আপুনি এটা ত্ৰি য়া-কলাপৰ আঁচনি প্ৰস্তুত কৰক য'ত, আপোনাৰ শ্ৰেণীকোঠাৰ ছাত্ৰ-ছাত্ৰীসকলে এখন পোষ্ট কাৰ্ড বা এখন চুটি চিঠি লিখি বিদ্যালয়ৰ বাহিৰৰ কোনো ব্যক্তি লৈ পঠাব পাৰে।

সমল ১ পাঠ পৰিকল্পনাৰ মূল্য সম্পৰ্কে অধিক বুজিবৰ বাবে পাঠ পৰিকল্পনাকৰণ চাওক

- আপোনাৰ প্ৰয়োজনীয় সমল আৰু বিদ্যালয়ৰ বাহিৰৰ কোনো ব্যক্তি সংগঠিত কৰক।
- এই ত্ৰি য়া-কলাপটিৰ লগত ছাত্ৰ-ছাত্ৰীক কেনেদৰে পৰিচয় কৰাব।
- এই ত্ৰি য়া-কলাপ কেনেদৰে কৰাব যদিহে আপোনাৰ বিদ্যালয়ৰ ওচৰত কোনো ডাক ঘৰ নাথাকে।
- আপুনি যদি এই ত্ৰি য়া-কলাপ বিদ্যালয়ৰ অতি সৰু ছাত্ৰ-ছাত্ৰীৰ দ্বাৰা কৰাব বিচাৰে, যি মাত্ৰ চিহ্ন অংকন আৰু লিখাতহে গুৰুত্ব দিয়ে, তেতিয়া তেওঁলোকক মাতি আনি প্ৰত্যেকেই কি বুজাব বিচাৰিছে তেওঁলোকৰ পোষ্ট কাৰ্ডৰ লিখনিৰ জৰিয়তে ক'বলৈ দিব।
- আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে এই ত্ৰি য়া-কলাপ কৰি আনন্দ পালেনে? প্ৰত্যেকজনেই অনুপ্ৰাণিত হৈছিল নে? প্ৰত্যেকজনে অংশগ্ৰহণ কৰিছিলনে?

## ৪) লিখনিৰ অনুশীলন (4 Practising writing)

যেতিয়া সৰু ল'ৰা-ছোৱালীয়ে লিখিবলৈ লয়, তেতিয়া তেওঁলোকৰ লিখনিত বিভিন্ন আখৰৰ, সংখ্যাৰ আৰু আকৃতিৰ এক সংমিশ্ৰিত ৰূপ দেখা পোৱা যায়। আখৰ আৰু সংখ্যাবোৰ শুদ্ধ ৰূপত নিলিখিবও পাৰে। কিন্তু এইটো এটা বিকাশৰ স্তৰ আৰু সময়ৰ লগে লগে ইয়াৰ শুধৰণি হয়। যিসকল ছাত্ৰ-ছাত্ৰী এই কাৰ্যত আগবাঢ়ি যাব পৰা নাই, তেওঁলোকক লক্ষ্য কৰক। এইটো বিকাশৰ বিসংগতিৰ লক্ষণ হ'ব পাৰে।

আপোনাৰ ছাত্ৰ-ছাত্ৰীসকল লিখক হিচাপে উন্নত হ'বলৈ তেওঁলোকৰ লিখনিৰ অনুশীলনৰ যথেষ্ট প্ৰয়োজন। দ্বিতীয়টো ঘটনা অধ্যয়নত শিক্ষক গৰাকীয়ে ছাত্ৰ-ছাত্ৰীসকলক বিভিন্নধৰণৰ লিখনি অনুশীলনৰ ব্যৱস্থা কৰে যাতে ছাত্ৰ-ছাত্ৰীসকলৰ লিখনি উন্নত হয়।

## ঘটনা অধ্যয়ন ২ ঃ নীৰা টেৰংপিৰ লিখনিৰ অনুশীলন (Case Study 2: Neera Terongpi's writing routines)

নীৰা টেৰংপিয়ে চৰকাৰী প্ৰাথমিক বিদ্যালয়ৰ দ্বিতীয় শ্ৰেণীত পঢ়ায়।

মই গাঁৱৰ এখন বিদ্যালয়ত পঢ়াওঁ, য'ত ছাত্ৰ-ছাত্ৰীসকলৰ ঘৰত সামান্য লিখনৰ অভ্যাস আছে। মই ছাত্ৰ-ছাত্ৰীসকলক সদায় অলপ অলপ ইংৰাজী লিখনৰ অনুশীলন কৰাওঁ। কেতিয়াবা আঙুলিৰ সমতা নিয়ন্ত্ৰণৰ বাবে, পাঠ্যপুথিৰ পাঠত "s" শব্দৰে আৰম্ভ হোৱা প্ৰতিটো শব্দ কপি বা প্ৰতিলিপি কৰাৰ দৰে যান্ত্ৰিক কাৰ্য কৰাওঁ। মাজে সময়ে লিখা আৰু ছবি আঁকা সংযুক্ত কৰি তেওঁলোকক পোষ্ট কাৰ্ড বা উৎসৱৰ কাৰ্ড প্ৰস্তুত কৰোৱা আদি কামবোৰ কৰিবলৈ দিওঁ। মোৰ ছাত্ৰ-ছাত্ৰীসকলে প্ৰতিদিনে তেওঁলোকৰ নাম আৰু তাৰিখ লিখে। দৈনন্দিন জীৱনত তেওঁলোকে দেখা পোৱা তালিকা, টিকট বা চিহ্ন আদিৰ বিষয়ে প্ৰতি সপ্তাহত তেওঁলোকক লিখিবলৈ দিওঁ। দৰাচলতে তেওঁলোকে পাঠ্যপুথিৰ পাঠৰ ওপৰত ভিত্তি কৰি কেতবোৰ গল্প আৰু কবিতা লিখে। ছাত্ৰ-ছাত্ৰীসকলক মই শ্ৰেণীকোঠাৰ পাঠদানৰ কামত অহাকৈ প্ৰস্তুত কৰা তালিকা, লেবেল আৰু সোঁৱৰণিৰ টোকা আদি চাবলৈ দিওঁ। এই কথা তেওঁলোকে বুজা উচিত যে লিখাটো যোগাযোগ তথা সোঁৱৰণিৰ টোকাৰ বাবে প্ৰয়োজনীয়।

মই তেওঁলোকক বৰ বেছি শুদ্ধ কৰি নিদিওঁ। মোৰ ব্যক্তিগত অভিজ্ঞতাৰ পৰা মই বুজোঁ যে ছাত্ৰ-ছাত্ৰীসকলে ভুল হ'ব বুলি দুঃচিন্তাত ভুগিলে ভৱিষ্যতে লিখাৰ প্ৰতি আগ্ৰহ কমি যোৱাৰ উপৰি লিখাৰ প্ৰতি নেতিবাচক মনোভাৱ গঢ়ি উঠিব পাৰে।

### চিন্তন (Pause for thought)

- নীৰাৰ শ্ৰেণীকোঠাৰ লিখনৰ দিনলিপিখন আপুনি চিনাক্ত কৰিব পাৰিছেনে?
- তেওঁৰ লিখনৰ দিনলিপিৰ ভিতৰত কোনবোৰ লিখন অনুশীলনৰ বাবে বেছি 'যান্ত্ৰিক' আৰু কোনবোৰ 'মুক্ত', যিবোৰে ছাত্ৰ-ছাত্ৰীক বেছি অনুপ্ৰাণিত কৰে।
- ছাত্ৰ-ছাত্ৰীসকলৰ বাবে 'বাস্তৱ পৃথিৱী'ৰ পৰা লিখনৰ আৰ্হি লোৱাটো প্ৰয়োজনীয় বুলি ভাবেনে?
- আপুনি কেনেধৰণৰ লিখনি লিখাটো আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলে লক্ষ্য কৰে।

### ভি.ডি.অ' ঃ অগ্ৰগতি আৰু সাফল্যৰ মান নিৰূপণ (Video: Assessing progress and performance)

## ক্ৰিয়া-কলাপ ৫ ঃ বহু সংবেদনশীল হস্তলিখনৰ অভ্যাস (Activity 5: Multi-sensory handwriting practice)

লিখনৰ অগ্ৰগতিৰ বাবে হাতৰ আখৰৰ অনুশীলনৰ প্ৰয়োজন। কাগজ বিহীন ক্ৰিয়া-কলাপ দুটা পঢ়ক আৰু আপোনাৰ শ্ৰেণীকোঠাৰ বাবে এটা বাছি উলিয়াই অনুশীলন কৰক। (প্ৰথমতে নিজৰ সহকৰ্মীৰ লগত কৰি চাওক)

### বতাহত লিখন (Air Writing)

এই খেল বা ক্ৰীড়াৰ বাবে এখন লিখিত বৰ্ণমালা বা শব্দৰ তালিকাৰ প্ৰয়োজন হয়। ছাত্ৰ-ছাত্ৰীসকলে গোটত বা গোটেই শ্ৰেণীয়ে একেলগে কৰিব পাৰে।

- এজন ছাত্ৰই এটা শব্দ বা বৰ্ণ বাছি ল'ব কিন্তু গোপনে ৰাখিব।
- ছাত্ৰজনে সহপাঠীৰ ফালে পিঠি দিব আৰু বৰ্ণ বা শব্দটো হাতৰ ভঙ্গিমাৰে শিক্ষকে ব্লেক ব'ৰ্ডত লিখাৰ দৰে লিখিব।
- অন্যান্য ছাত্ৰ-ছাত্ৰীসকলে শব্দটো বা বৰ্ণটো অনুমানত ক'ব।
- তেওঁলোক প্ৰত্যেকেই বৰ্ণটো বা শব্দকেইটা ডাঙৰ ডাঙৰকৈ মাতি ভংগিমাৰে বতাহত লিখাৰ দৰে কৰিব।

## পিছৰ লিখন (Back Writing)

এই খেলটোত এখন বৰ্ণমালা বা শব্দৰ তালিকা ব'ৰ্ড বা চাৰ্ট পেপাৰত থাকিব লাগিব। ছাত্ৰ-ছাত্ৰীসকল যোৰ হিচাপে বহিব আৰু সৰু ব'ৰ্ড বা কাগজ আৰু পেঞ্চিল তেওঁলোকৰ মাজত ল'ব।

- এজন ছাত্ৰই এটা আখৰ বা শব্দ বাছি ল'ব আৰু গোপনে ৰাখিব।
- আঙুলিৰে তেওঁ আখৰটো বা শব্দটো আনজন ছাত্ৰৰ পিঠিত লিখিব।
- দ্বিতীয়জন ছাত্ৰই বৰ্ণ বা শব্দটো ব্লেক ব'ৰ্ড বা কাগজত লিখিব — দ্বিতীয়জন ছাত্ৰই শুদ্ধকৈ লিখিব পাৰিছেনে?
- এই ত্ৰি য়া-কলাপ এজন ছাত্ৰই সঙ্গী ছাত্ৰজনৰ হাতৰ তলুৱাত লিখিও কৰিব পাৰে।

আপুনি বাছি উলিওৱা ত্ৰি য়াটো কেনেদৰে কৰিব, ছাত্ৰ-ছাত্ৰীৰ আগত দেখুৱাওক। আপুনি যিহেতু ছাত্ৰ-ছাত্ৰীসকলক নিৰীক্ষণ কৰি আছে গতিকে তেওঁলোক শৰীৰ তথা মনেৰে কেনেদৰে ত্ৰি য়া-কলাপৰ লগত জড়িত হৈ পৰিছে লিখি ৰাখক। বহু ইন্দ্ৰিয় জড়িত ত্ৰি য়া-কলাপে ছাত্ৰ-ছাত্ৰীক সহজে মনত ৰখাত সহায় কৰে।

শিক্ষক হিচাপে আপুনি বহু ইন্দ্ৰিয় জড়িত ত্ৰি য়া-কলাপ শ্ৰেণীকোঠাত কৰোৱাত কিবা অসুবিধা আছে বুলি ভাবে নেকি?

# ৪) সাৰাংশ (5 Summary)

এই গোটৰ উদ্দেশ্য হৈছে কম বয়সীয়া ছাত্ৰ-ছাত্ৰীক সঘনাই বিভিন্নধৰণৰ আহিলাৰে, বিভিন্ন ঠাইত আৰু বিভিন্ন উদ্দেশ্যত লিখাৰ অনুশীলন কৰোৱা। লিখন হৈছে এক বিকশিত প্ৰত্যি য়া, প্ৰথমাৱস্থাৰ আঁক-বাঁক বা চিহ্ন অংকনৰ পৰা আৰম্ভ কৰি দীঘলীয়া লিখনিলৈ লাহে লাহে আগুৱাই যায়। ইয়াৰ বাবে শাৰীৰিক শক্তি আৰু ভাষা জ্ঞানৰ প্ৰয়োজন।

এজন ছাত্ৰৰ প্ৰাৰম্ভিক স্তৰৰ লিখনিক আমি সদায় মূল্য দিব লাগে, উপভোগ কৰিব লাগে তথা বুজাৰ বাবে যত্ন কৰিব লাগে। এইবোৰ কেতিয়াও ভুল শুধৰণি কৰাৰ উদ্দেশ্যৰে কৰিব নালাগে। কণ কণ ছাত্ৰ-ছাত্ৰীসকলে কিহৰ বিষয়ে লিখিছে আৰু তেওঁলোকৰ লিখাৰ আগ্ৰহ লিখনৰ কাৰিকৰী কৌশলতকৈ বেছি গুৰুত্বপূৰ্ণ। (বানান, হাতৰ আখৰ, বিৰাম চিহ্ন আৰু শব্দৰ মাজৰ ব্যৱধান আদি)।

আপুনি এনে এখন বিদ্যালয়ত কাম কৰিব পাৰে, য'ত ছাত্ৰ-ছাত্ৰীসকলে ঘৰত বা তেওঁলোকৰ সমাজত কতো লিখাৰ বাবে সুবিধা নাপায় বা আনকো তেনে কৰা দেখা নাই। ইংৰাজী আৰু অসমীয়াত লিখাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ প্ৰধান উৎস আপুনিয়ে। গতিকে আপোনাৰ শ্ৰেণীকোঠাত 'ছপা সামগ্ৰীৰে সমৃদ্ধ পৰিৱেশ' গঢ়ি তোলাটো অতি প্ৰয়োজন। এই বিষয়ৰ বাবে এটা পৃথক শিক্ষক উন্নয়নৰ বাবে গোট (Teacher Development Unit) আছে।

এই বিষয়ৰ ওপৰত আমাৰ প্ৰাথমিক বিদ্যালয়ৰ শিক্ষকৰ উন্নয়নৰ বাবে থকা গোটবোৰ হৈছে —

- শৈক্ষিক পৰিৱেশ (The Learning Environment)
- লিখনৰ উন্নয়ন আৰু নিৰীক্ষণ (Developing and Monitoring Writing)

# সমলসমূহ (Resources)

## সমল ১ ঃ পাঠৰ পৰিকল্পনা (Resource 1: Planning lessons)

### কিয় প্ৰস্তুতি আৰু পৰিকল্পনা অতি প্ৰয়োজন

ভাল পাঠৰ বাবে পৰিকল্পনা থাকিব লাগে। পৰিকল্পনাই আপোনাৰ পাঠটিক স্পষ্ট আৰু সময়োপযোগী কৰাৰ উপৰি ছাত্ৰ-ছাত্ৰীক আগ্ৰহী আৰু সত্ৰি য় কৰি তোলাত সহায় কৰে। কাৰ্যক্ষম পৰিকল্পনাত এনে কিছু নমনীয়তা থাকে যাতে শিক্ষকে শ্ৰেণীকোঠাত পাঠদানৰ সময়ত ছাত্ৰ-ছাত্ৰীক তেওঁ শিকোৱা বিষয় কেনেদৰে শিকিব পাৰিছে তাৰ ওপৰতো সঁহাৰি জনাব পাৰে। পৰিকল্পিতভাৱে এলানি পাঠৰ ওপৰত

কাম কৰিলে ছাত্ৰ-ছাত্ৰীৰ প্ৰাৰম্ভিক জ্ঞান আৰু ছাত্ৰ-ছাত্ৰীক বুজাত সুবিধা হয়। এই কামে পাঠ্যত্ৰ মৰ লগত সংগতি ৰাখি উৎকৃষ্ট সমল বিচাৰি উলিয়াই ছাত্ৰ-ছাত্ৰীক শিকাত সহায় কৰে।

পাঠ পৰিকল্পনা এক ধাৰাবাহিক প্ৰত্ৰি য়া। পৰিকল্পনাই একক পাঠ পৰিকল্পনা তথা বহু পাঠৰ পৰিকল্পনাত সহায় কৰে। এই পৰিকল্পনাৰ স্তৰবোৰ হ'ল —

- ছাত্ৰ-ছাত্ৰীৰ উন্নয়নৰ বাবে কি প্ৰয়োজন তাৰ ওপৰত স্পষ্ট ধাৰণা লোৱা
- ছাত্ৰ-ছাত্ৰীক কেনেদৰে পাঠদান কৰিলে তেওঁলোকে পাঠৰ বিষয়সমূহ বুজি পাব তালৈ লক্ষ্য কৰিব আৰু তেওঁলোকৰ সঁহাৰিৰ প্ৰতি নমনীয় উচিত প্ৰত্যুত্তৰ দিব।
- পাঠটো সুন্দৰ ৰূপত কেনেদৰে পৰিচালিত হৈছিল তাক পুনৰীক্ষণ কৰা আৰু ভৱিষ্যৎ পাঠ পৰিকল্পনাৰ বাবে আপোনাৰ ছাত্ৰ-ছাত্ৰীয়ে কিমান আয়ত্ত কৰিব পাৰিলে তাৰ আভাস দিয়া।

## এলানি পাঠৰ পৰিকল্পনা (Planning a series of lessons)

আপুনি যেতিয়া পাঠ্যত্ৰ মৰ ওপৰত নিৰ্ভৰ কৰি কাম কৰিব, তেতিয়া পৰিকল্পনাৰ প্ৰথম স্তৰত পাঠ্যত্ৰ মৰ বিষয়সমূহ কেনেদৰে ভাগ কৰিব তাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব। এই ক্ষেত্ৰত নিৰ্দ্ধাৰিত সময় তথা ছাত্ৰ-ছাত্ৰীসকলক পৰ্যায়ত্ৰ মে আগবঢ়াব বিচৰা ধৰণে জ্ঞান আৰু দক্ষতাৰ ওপৰতো লক্ষ্য ৰাখিব লাগিব। আপোনাৰ অভিজ্ঞতা বা সহকৰ্মীৰ লগত হোৱা আলোচনাৰ পৰা আপুনি অনুমান কৰিব পাৰিব যে এটা বিষয়ে চাৰিটা পৰ্যন্ত পাঠ সামৰি লৈছে, কিন্তু আন কোনো এটাই মাত্ৰ দুটা পাঠহে সামৰি লৈছে।

আপুনি জানে যে অন্যান্য বিষয়বোৰ যেতিয়া বহলাই বুজাব তেতিয়া আপুনি ইতিমধ্যে শিকোৱা বিষয়সমূহ বিভিন্ন প্ৰকাৰে আৰু বিভিন্ন সময়ত এই পাঠবোৰত পুনৰবাৰ আলোচিত হ'ব। সকলো পাঠৰ পৰিকল্পনাৰ ক্ষেত্ৰত তলৰ বিষয়বোৰৰ ওপৰত আপোনাৰ স্পষ্ট ধাৰণা থকা প্ৰয়োজন—

- ছাত্ৰ-ছাত্ৰীয়ে কি শিকাটো বিচাৰে
- প্ৰতিটো শিক্ষণ কেনেদৰে উত্থাপন কৰিব
- ছাত্ৰ-ছাত্ৰীয়ে কি কৰিব লাগিব আৰু কিয়

আপুনি শিক্ষণক সত্ৰি য় তথা আমোদজনক কৰিব বিচাৰে যাতে ছাত্ৰ-ছাত্ৰীসকলে সহজ অনুভৱ কৰে আৰু তেওঁলোক কৌতুহলী হয়। ভিন্নতা আৰু আগ্ৰহৰ বাবে আপুনি এলানি পাঠৰ বাবে কি কৰিব ঠিৰাং কৰি লওক। আপোনাৰ ছাত্ৰ-ছাত্ৰীসকলৰ বোধগম্যতা নিৰীক্ষণৰ বাবে কেনে ধৰণৰ আঁচনি গ্ৰহণ কৰিব? অলপ নমনীয় হোৱাৰ বাবে প্ৰস্তুত থাকিব যদিহে কোনো বিষয় বেছি দীঘলীয়া হয় বা সহজে আয়ত্তলৈ নাহে।

## একক পাঠৰ প্ৰস্তুতি (Preparing individual lessons)

পাঠলানিৰ পৰিকল্পনা কৰাৰ পাছত আপুনি ছাত্ৰ-ছাত্ৰীৰ সেই পৰ্যায়লৈকে থকা জ্ঞানৰ ওপৰত গুৰুত্ব দি প্ৰতিটো পাঠৰ পাঠ পৰিকল্পনা প্ৰস্তুত কৰক। ছাত্ৰ-ছাত্ৰীসকলে এই পৰ্যায়লৈকে কি শিকা উচিত বা পাঠৰ শেষৰফালে কি কি শিকিবলৈ সক্ষম হ'ব, সেইটো আপুনি জনা উচিত। আপুনি নভবা কোনো বিষয় পুনৰীক্ষণ কৰিব লগাও হ'ব পাৰে অথবা খৰকৈ বেলেগ বিষয়লৈ আগবাঢ়িবও লাগিব পাৰে। সেয়েহে প্ৰতিটো একক পাঠৰ পৰিকল্পনা এনেদৰে কৰিব লাগিব যাতে সকলো ছাত্ৰ-ছাত্ৰীৰে শৈক্ষিক দিশত বিকাশ হয়, কৃতকাৰ্যতা আৰু আত্মীয়তা অনুভৱ কৰিব পাৰে।

পাঠৰ পৰিকল্পনা কৰোঁতে আপুনি নিশ্চিত হ'ব যে প্ৰতিটো ত্ৰি য়া-কলাপৰ বাবে যথেষ্ট সময় থাকে আৰু সত্ৰি য় গোটকৰ্মৰ বাবে কোনো সমল মজুত থাকে। বেছি সংখ্যক ছাত্ৰ-ছাত্ৰী থকা শ্ৰেণীৰ বাবে সমলৰ পৰিকল্পনা কৰোঁতে আপুনি বিভিন্ন গোটৰ বাবে বিভিন্ন প্ৰ.ামালা আৰু ত্ৰি য়া-কলাপৰ পৰিকল্পনা কৰাতো প্ৰয়োজনীয়। আপুনি যেতিয়া নতুন বিষয় এটা শিকাব, তেতিয়া আপুনি কিছু সময় উলিয়াই পাঠৰ অনুশীলন কৰিব। আপোনাৰ আত্মবি ⁄াস বঢ়াবৰ বাবে সহকৰ্মী শিক্ষকৰ লগত ভাব বিনিময় কৰিব।

আপোনাৰ পাঠটো তিনিটা ভাগত প্ৰস্তুত কৰাৰ কথা ভাবক। এই ভাগবোৰ তলত আলোচনা কৰা হ'ল —

**১) পৰিচয় (The introduction) ঃ** পাঠৰ আৰম্ভণিতে ছাত্ৰ-ছাত্ৰীসকলক তেওঁলোকে কি কি শিকিব আৰু কৰিব তাক অৱগত কৰাব যাতে তেওঁলোকৰ পৰা কি বিচৰা হৈছে সেইটো তেওঁলোকে বুজি পায়। নতুনকৈ শিকিব লগা বিষয়ৰ প্ৰতি আগ্ৰহ জন্মোৱাৰ বাবে তেওঁলোকে এতিয়ালৈকে কি কি শিকিলে তাৰ বিষয়ে তেওঁলোকৰ মাজতে আলোচনা কৰিবলৈ দিয়ক।

**২) পাঠৰ মূল ভাগ (The main part of the lesson) ঃ** ছাত্ৰ-ছাত্ৰীয়ে ইতিমধ্যে জনাৰ ওপৰত ভিত্তি কৰি পাঠৰ থূলমূলভাৱে আভাস দিয়ক। আপুনি স্থানীয় সমল, নতুন সম্ভেদ বা গোট কৰ্ম বা সমস্যা সমাধানৰ দৰে সত্ৰি য় কৰ্মৰ ব্যৱহাৰৰ বাবেও বিৱেচনা কৰিব পাৰে। সমলবোৰ বাছি উলিৱাওক আৰু শ্ৰেণীকোঠাৰ ভিতৰত কেনেদৰে ব্যৱহাৰ কৰিব পাৰি বিবেচনা কৰক। বিভিন্নধৰণৰ ত্ৰি য়া-কলাপ, সমল আৰু সময়ৰ ব্যৱহাৰ পাঠ পৰিকল্পনাৰ অন্যতম অংশ। যদি আপুনি বিভিন্ন পদ্ধতি আৰু ত্ৰি য়া-কলাপবোৰ ব্যৱহাৰ কৰে, তেনেহ'লে আপুনি বেছি সংখ্যক ছাত্ৰ-ছাত্ৰীক বুজাব পাৰিব কাৰণ তেওঁলোকে বিভিন্ন ধৰণেৰে শিকাৰ সুযোগ পাব।

**৩) পাঠৰ শেষত শিকনৰ নিৰীক্ষণ (The end of the lesson to check on learning) ঃ** শিকনৰ অগ্ৰগতি নিৰূপনৰ বাবে সদায় কিছু সময় দিব লাগে (পাঠৰ মাজত বা পাঠৰ শেষত)। নিৰীক্ষণে সদায় পৰীক্ষাকে নুবুজায়। সাধাৰণতে ই খৰটকীয়া আৰু ঠাইতে হোৱা হ'ব লাগে। যেনে - কোনো পূৰ্ব পৰিকল্পিত প্ৰ.। বা ছাত্ৰ-ছাত্ৰীয়ে কি শিকিলে তাৰ উপস্থাপন পৰ্যৱেক্ষন কৰা। কিন্তু আপোনাৰ পৰিকল্পনা ছাত্ৰ-ছাত্ৰীৰ প্ৰত্যুত্তৰৰ লগত সংগতি ৰাখিব পৰাকৈ নমনীয় তথা পৰিৱৰ্তনশীল হ'ব লাগে।

পাঠটি শেষ কৰাৰ এটি সুন্দৰ প্ৰণালী হৈছে পাঠৰ প্ৰথম অংশত থকা উদ্দেশ্যলৈ পুনৰ ঘূৰি যোৱা আৰু প্ৰতিজন ছাত্ৰ-ছাত্ৰীকে বা আপোনাক শিকনৰ অগ্ৰগতিৰ বিষয়ে জনোৱা। ছাত্ৰ-ছাত্ৰীৰ কথোপকথনলৈ মনোনিৱেশ কৰিলে পৰৱৰ্তী পাঠৰ বাবে কি পৰিকল্পনা কৰিব লাগিব সেইবিষয়ে আপুনি নিশ্চিত হ'ব পাৰিব।

**৪) পাঠৰ পুনৰীক্ষণ (Reviewing lessons) ঃ** প্ৰতিটো পাঠৰ পৰ্যালোচনা কৰক আৰু আপুনি কি কৰিছিল, ছাত্ৰ-ছাত্ৰীয়ে কি শিকিলে, কি কি সমল ব্যৱহৃত হ'ল আৰু পাঠ পৰিকল্পনা কিমান সফলৰূপে আগুৱাই গৈছিল, তাৰ খতিয়ান লিখি ৰাখক যাতে পৰৱৰ্তী পাঠৰ পৰিকল্পনাত উন্নয়ন বা সমাযোজন ঘটাব পাৰি। উদাহৰণস্বৰূপে, আপুনি মনস্থ কৰিব পাৰে-

- ত্ৰি য়া-কলাপৰ সাল-সলনি বা আংশিক পৰিৱৰ্তন
- কিছু সংখ্যক মুক্ত আৰু নিৰ্দ্ধাৰিত প্ৰ.।ৰ উত্তৰ প্ৰস্তুত
- যিসকল ছাত্ৰ-ছাত্ৰীৰ বুজিবৰ বাবে অতিৰিক্ত সহায়ৰ প্ৰয়োজন হয় তেওঁলোকৰ বাবে এটা অনুধাৱন কাৰ্যকালৰ ব্যৱস্থা

ছাত্ৰ-ছাত্ৰীক আৰু ভালকৈ বুজাত সহায়ক হোৱাকৈ আপুনি কেনেধৰণৰ পৰিকল্পনা কৰিব ভাবক। প্ৰতিটো পাঠ আগবাঢ়ি যোৱাৰ লগে লগে আপোনাৰ পাঠ পৰিকল্পনালৈ অনিবাৰ্যৰূপে পৰিৱৰ্তন আহে, কাৰণ প্ৰকৃত পাঠদানত কি হ'ব তাক আগতীয়কৈ অনুমান কৰা কঠিন। সুন্দৰ পাঠ পৰিকল্পনাৰ অৰ্থ হ'ল আপুনি জানে যে কি শিকন হ'ব লাগে। গতিকে ছাত্ৰ-ছাত্ৰীসকলে প্ৰকৃততে কি শিকিলে সেইবিষয়ে আপুনি নমনীয়ভাৱে সঁহাৰি জনাবলৈ প্ৰস্তুত থাকিব লাগিব।

# Additional resources

- 'Cn u rd ths? A guide to invented spelling', Great Schools: http://www.greatschools.org/students/academic-skills/384-invented-spelling.gs
- Teachers of India classroom resources: http://www.teachersofindia.org/en

# References/bibliography


Dombey, H. and Moustafa, M. (1998) *Whole to Part Phonics: How Children Learn to Read and Spell*. London: Centre for Literacy in Primary Education.

Graham, J. and Kelly, A. (2010) *Writing under Control: Teaching Writing in the Primary School*, 3rd edn. London: Routledge.

Graves, D. (2003) *Writing: Teachers and Children at Work*. Portsmouth: Heinemann.

Graves, D. (1994) *A Fresh Look at Writing*. Portsmouth: Heinemann.

O'Sullivan. O. (2007) *Understanding Spelling*. London: Centre for Literacy in Primary Education.

Smith, F. (1994) *Writing and the Writer*. London: Routledge.

# Acknowledgements

Except for third party materials and otherwise stated below, this content is made available under a Creative Commons Attribution-ShareAlike licence (http://creativecommons.org/licenses/by-sa/3.0/). The material acknowledged below is Proprietary and used under licence for this project, and not subject to the Creative Commons Licence. This means that this material may only be used unadapted within the TESS-India project and not in any subsequent OER versions. This includes the use of the TESS-India, OU and UKAID logos.

Grateful acknowledgement is made to the following sources for permission to reproduce the material in this unit:

Figure 2: top left: http://theguilletots.blogspot.co.uk; top middle: courtesy of Ellen Shifrin (in Flickr); top right: http://www.childrens-mathematics.net/gallery_pastgraphics.htm; bottom left: courtesy of http://webfronter.com/waltham-forest/stoneydown/menu6/Early_Years_Foundation_Stage/Early_Years_Foundation_Stage_Page.html; bottom middle: http://earlyyearsmaths.e2bn.org/library/; bottom right: http://montessoriteachings.blogspot.co.uk/.

Every effort has been made to contact copyright owners. If any have been inadvertently overlooked the publishers will be pleased to make the necessary arrangements at the first opportunity.

Video (including video stills): thanks are extended to the teacher educators, headteachers, teachers and students across India who worked with The Open University in the productions.